অসম বিধান সভা
তৰাবিহীন প্ৰশ্ন নং ৩৩৫
উত্তৰ দিয়াৰ তাৰিখ-১৪-০৭-২০২৬

**বিষয়ঃ আদৰ্শ অংগনবাড়ী কেন্দ্ৰ/ শিশু খাদ্য সন্দৰ্ভত ।**

**শ্ৰীতাঞ্জিল হুছেইন,বিধায়ক**

**প্ৰশ্নঃ-**

**माননীয় মহিলা আৰু শিশু উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ**

(ক) অসম চৰকাৰৰ মহিলা আৰু শিশু উন্নয়ন বিভাগে কিমানটা আদৰ্শ-অংগনবাড়ী কেন্দ্ৰ নিৰ্মাণৰ ব্যৱস্থা গ্ৰহণ কৰিছে, কিমানটা সম্পূৰ্ণ হৈছে আৰু কিমান বাকী আছে ? জিলা ভিত্তিত তালিকা দিব।
(খ) অংগনবাড়ী কেন্দ্ৰ সমূহত কিমান কৰ্মী আৰু সহায়িকাৰ পদ খালী হৈ আছে ? খালী হৈ থকা পদসমূহ কেতিয়া পূৰণ কৰিব ?
(গ) অংগনবাড়ী কেন্দ্ৰ সমূহত খাদ্য আৰু কি কি সামগ্ৰী যোগান ধৰা হয় ? খাদ্য আৰু বিভিন্ন সামগ্ৰীসমূহ কোন কোন ঠিকাদাৰ বা প্ৰতিষ্ঠানক যোগান ধৰাৰ দায়িত্ব দিয়া হৈছে ?
(ঘ) কেন্দ্ৰ সমূহত প্ৰতিজন শিশুৰ বিপৰীতে কিমানকৈ, কি পৰিমানে খাদ্য-সামগ্ৰী যোগান ধৰিব লাগে? ICDS Project ৰ ভিত্তিত তালিকা সহ জনাব।

**উত্তৰঃ-**

**মাননীয়া মহিলা আৰু শিশু বিকাশ বিভাগৰ মন্ত্ৰী শ্ৰীযুতা অজন্তা নেওঁগ মহোদয়াই উত্তৰ দিবঃ-**

(ক) অসমত এতিয়ালৈকে ৯০৫৪ টা অংগনবাড়ী কেন্দ্ৰ আদৰ্শ কেন্দ্ৰ হিচাপে নিৰ্মাণ কৰা হৈছে। ইয়াৰে ভিতৰত ৪৪২৩ টাৰ কাম সম্পুৰ্ণ হৈছে আৰু ৪৬৩১টাৰ নিৰ্মাণৰ কাম বাকী আছে। জিলাভিত্তিক আদৰ্শ অঙ্গনবাড়ী কেন্দ্ৰৰ তালিকা **পৰিশিষ্ট-"ক" ত** সংলগ্ন কৰা হ'ল।

(খ) অঙ্গনবাড়ী কৰ্মী/ সহায়িকাৰ খালী পদৰ তথ্য সংশ্লিষ্ট শিশু উন্নয়ন প্ৰকল্প কাৰ্য্যলয়ত উপলব্ধ। যিহেতু অংগনবাড়ী কেন্দ্ৰসমূহত অংগনবাড়ী কৰ্মী/ সহায়িকাৰ পদসমূহ সময়ে সময়ে খালী হৈ থাকে, সেই অনুসৰি পদসমূহ পূৰণ কৰাৰ ব্যৱস্থা কৰি থকা হয় ।

(গ) মহিলা আৰু শিশু উন্নয়ণ বিভাগে অংগনবাড়ী কেন্দ্ৰলৈ অহা ৩ বছৰৰ পৰা ৬ বছৰ শিশুক গৰমকৈ ৰন্ধা খাদ্য হিচাবে Micronutrient Fortified Energy Dense Food আৰু প্ৰাক্ প্ৰাথমিক শিক্ষাৰ বাবে কেন্দ্ৰ সমূহত শিক্ষণ সামগ্ৰী যোগান ধৰা হয়। খাদ্য সামগ্ৰী সমূহ অনুমোদিত প্ৰস্তুতকাৰক আৰু লগতে প্ৰাক-প্ৰাথমিক শিক্ষাৰ সামগ্ৰী সমূহ অনুমোদিত প্ৰতিষ্ঠান/ ঠিকাদাৰ জৰিয়তে চৰকাৰী নীতি নিৰ্দ্দেশনা অনুসৰি যোগান ধৰাৰ দায়িত্ব দিয়া হৈছে।

(ঘ) অংগনবাড়ী কেন্দ্ৰসমূহত প্ৰতিজন ৩ বছৰৰ পৰা ৬ বছৰ শিশুৰ বিপৰীতে প্ৰতিদিনে ১০০ গ্ৰামকৈ Micronutrient Fortified Energy Dense Food যোগান ধৰা হয়। খাদ্য- সামগ্ৰী সমূহৰ তালিকা সংশ্লিষ্ট সংহত শিশু উন্নয়ন প্ৰকল্প সমূহত উপলব্ধ।

(ওপৰোক্ত উত্তৰৰ প্ৰতিলিপি **পৰিশিষ্ট-"ক"** ৰ সৈতে অসম বিধান সভাৰ ৱেবচাইট https://cms.neva.gov.in ত আপলোড কৰা হ'ল)।

************

## Status of Progress of construction of Model AWCs

| Sl. No. | Districts | Nos. of MAWCs sanctioned | Completed & Functional | Under Construction |
|---|---|---|---|---|
| 1 | Bajali | 180 | 91 | 89 |
| 2 | Baksa | 173 | 79 | 94 |
| 3 | Barpeta | 223 | 110 | 113 |
| 4 | Biswanath | 290 | 167 | 123 |
| 5 | Bongaigaon | 175 | 175 | 0 |
| 6 | Cachar | 429 | 150 | 279 |
| 7 | Charaideo | 185 | 84 | 101 |
| 8 | Chirang | 175 | 73 | 102 |
| 9 | Darrang | 270 | 136 | 134 |
| 10 | Dhemaji | 198 | 115 | 83 |
| 11 | Dhubri | 212 | 105 | 107 |
| 12 | Dibrugarh | 574 | 284 | 290 |
| 13 | Dima Hasao | 95 | 59 | 36 |
| 14 | Goalpara | 163 | 70 | 93 |
| 15 | Golaghat | 398 | 255 | 143 |
| 16 | Hailakandi | 127 | 35 | 92 |
| 17 | Hojai | 205 | 86 | 119 |
| 18 | Jorhat | 341 | 163 | 178 |
| 19 | Kamrup | 545 | 172 | 373 |
| 20 | Kamrup Metro | 210 | 139 | 71 |
| 21 | Karbi Anglong | 265 | 88 | 177 |
| 22 | Sribhumi | 326 | 168 | 158 |
| 23 | Kokrajhar | 250 | 185 | 65 |
| 24 | Lakhimpur | 328 | 175 | 153 |
| 25 | Majuli | 96 | 96 | 0 |
| 26 | Morigaon | 215 | 147 | 68 |
| 27 | Nagaon | 496 | 226 | 270 |
| 28 | Nalbari | 232 | 92 | 140 |
| 29 | Sibsagar | 274 | 116 | 158 |
| 30 | Sonitpur | 415 | 135 | 280 |
| 31 | South Salmara Mankachar | 55 | 51 | 4 |
| 32 | Tamulpur | 106 | 39 | 67 |
| 33 | Tinsukia | 472 | 260 | 212 |
| 34 | Udalguri | 255 | 67 | 188 |
| 35 | West Karbi Anglong | 101 | 30 | 71 |
| **Total** | | **9054** | **4423** | **4631** |